জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৫৯/২০২০

# হাউলী নগৰৰ মাজমজিয়াত থকা পুখুৰীৰ সৌন্দৰ্যবৰ্দ্ধন প্ৰকল্পৰ আধাৰশিলা স্থাপন তথা হাউলী বিদ্যুৎ উপ-কেন্দ্ৰৰ উন্নীতকৰণ আঁচনিৰ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে

## হাউলী নগৰৰ গৌৰৱময় ইতিহাস পুনৰুদ্ধাৰৰ ওপৰত মিডিয়া উপদেষ্টা গোস্বামীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ২১ আগষ্ট ঃ** মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে আজি নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত হাউলী বিদ্যুৎ উপ-কেন্দ্ৰ উন্নীতকৰণ আঁচনিৰ শুভ উদ্বোধন কৰাৰ লগতে হাউলী নগৰৰ মাজমজিয়াত থকা পুখুৰীটোৰ সৌন্দৰ্যবৰ্দ্ধন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে হাউলী নগৰৰ মাজমজিয়াত থকা এই পুখুৰীটোৰ উন্নয়ন তথা সৌন্দৰ্যবৰ্দ্ধনৰ বাবে ১ কোটি টকাৰ এই আঁচনিখন হাতত লোৱা হৈছে। তদুপৰি কাম সম্পন্ন কৰা হাউলী বিদ্যুৎ উপ-কেন্দ্ৰৰ উন্নীতকৰণে বৃহত্তৰ হাউলী অঞ্চলৰ বিদ্যুৎ সৰবৰাহ ব্যৱস্থাৰ শক্তিশালীকৰণৰ দিশত বৃহৎ ভূমিকা পালন কৰিব।

এই উপলক্ষে অনুষ্টুপীয়াকৈ আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে কয় যে প্ৰতিগৰাকী ব্যক্তিৰে সামাজিক দায়বদ্ধতা থকা উচিত আৰু সেই অনুসাৰে প্ৰতিগৰাকী ব্যক্তিয়ে সমাজলৈ অৰ্থৱহ অৰিহণা আগবঢ়োৱাৰ প্ৰচেষ্টা চলাব লাগে। হাউলী নগৰৰ এক গৌৰৱময় ইতিহাস আছে বুলি উল্লেখ কৰি এই গৌৰৱ তথা ঐতিহ্য পুনৰুদ্ধাৰৰ ওপৰটো তেওঁ গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি নগৰ উন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে হাউলী চহৰৰ মাজমজিয়াত থকা পুখুৰীটোৰ সৌন্দৰ্যবৰ্দ্ধনৰ বাবে আজি আধাৰশিলা স্থাপন কৰা প্ৰকল্পৰ উপৰি এই পুখুৰীটোৰ পাৰত অৱসৰ বিনোদন তথা খোজকঢ়া পথ নিৰ্মাণৰ বাবে অতিৰিক্তভাৱে ১ কোটি টকা প্ৰদান কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে এই দুয়োখন আঁচনি কাৰ্যকৰীকৰণৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়ে লোৱা অগ্ৰণী ভূমিকাৰো শলাগ লয়। মন্ত্ৰী গৰাকীয়ে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সমাজৰ সকলো শ্ৰেণীৰ উন্নয়নৰ বাবে হাতত লোৱা বিভিন্ন আঁচনিৰ বিশদ ব্যাখ্যা আগবঢ়োৱাৰ উপৰি চৰকাৰে অলপতে ঘোষণা কৰা 'অৰুণোদয়' আঁচনিখনৰ জৰিয়তে অভাৱগ্ৰস্ত পৰিয়াল সমূহে বছৰি ১০ হাজাৰ টকাকৈ লাভ কৰিবলৈ সক্ষম হ'ব বুলিও কয়। চৰকাৰে এই আঁচনিৰ ধন ভৱিষ্যতে আৰু বৃদ্ধি কৰাৰ পদক্ষেপ ল'ব বুলিও মন্ত্ৰীগৰাকীয়ে কয়।

অনুষ্ঠানত স্থানীয় বিধায়ক গুণীন্দ্ৰ নাথ দাসে বক্তব্য আগবঢ়াই বৰ্তমানৰ চৰকাৰে হাতত লোৱা বিভিন্ন উন্নয়নমূলক আঁচনিয়ে সমাজৰ প্ৰতিটো অংশকে চুই গৈছে বুলিও মন্তব্য কৰে।

সভাৰ আৰম্ভণিতে আদৰণি ভাষণ প্ৰদান কৰি জিলা উপায়ুক্ত মুণীন্দ্ৰ শৰ্মাই হাউলী পৌৰ সভাৰ পৰিসৰ বৃদ্ধিৰে এতিয়াৰ ৪ টা ৱাৰ্ডৰ পৰা ১০ টা ৱাৰ্ডলৈ বৃদ্ধি কৰা হৈছে বুলি কয়।

অনুষ্ঠানত অসম শক্তি উৎপাদন প্ৰতিষ্ঠানৰ অন্যতম সঞ্চালক শংকৰ দাস, অসম বিত্ত নিগমৰ উপাধ্যক্ষ অনিল দাস, নগৰ উন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা, হাউলী পৌৰ সভাৰ কাৰ্যবাহী বিষয়া তথা অতিৰিক্ত উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বিঃশ / বঃভাঃ / পুঃডেঃ**
**২১/০৮/২০২০**